# লীগ অব্ব আৰব্ব ষ্টেটচৰ চেক্ৰেটাৰি জেনেৰেলে ১৬ ৰ পৰা ১৮ ডিচেম্বৰ ২০১৩ লৈ আনুষ্ঠানিক ভাৱে বাৰত ভ্ৰমনলৈ আহিব ।

কেন্দ্ৰীয় বহি পৰিক্ৰমা মন্ত্ৰী চালমান খুৰছিদৰ আমন্ত্ৰন ক্ৰমে লীগ অৱ আৰব ,ষ্টেটচৰ চেক্ৰেটাৰি জেনেৰেল মহামান্য ড. নাবিল ইলাৰাবয়ে ১৬ৰ পৰা ১৮ ডিচেম্বৰ ২০১৩ লৈ ভাৰতলৈ আনুষ্ঠানিক ভ্ৰমণলৈ আহিব ।

ড. নাবিল ইলাৰাবায়ে তেওঁৰ ভ্ৰমণ কালত সন্মানিয় উপ ৰাষ্ট্ৰপতি হামিদ আনচাৰি,কেন্দ্ৰীয় বৈদেশিক মন্ত্ৰী চালমান খুৰছিদৰ সৈতে বৈঠকত মিলিত হৈ দ্বিপাক্ষীক সম্বন্ধীয় বিভিন্ন বিষয় সমুহৰ উপৰিও চিৰিয়া আৰু মধ্য পূৱ শান্তি প্ৰক্ৰিয়াকে ধৰি দুয়োদেশৰ মাজত একে গুৰুত্ব পোৱা আঞ্চলিক আৰু আন্তৰ্জাতিক বিষয়সমুহ আলোচনা কৰিব ।

এই ভ্ৰমণ কালতে ভাৰত আৰু লীগ অৱ আৰব ষ্টেটচৰ মাজত নতুন সহযোগিতাৰ চুক্তি আৰু ২০১৪–১৬ বৰ্ষৰ বাবে নতুন কাৰ্য্যকৰি কাৰ্য্যসূচী স্বক্ষৰিত হব ।এই ডকুমেন্ট সমুহৰ লক্ষ হৈছে যাতে ভাৰত আৰু ২২ খন আৰব ৰাজ্যৰ সদস্য দেশৰ উচ্চ পৰ্যায়ৰ বিষয়া আৰু মন্ত্ৰীৰ পৰ্যায়ত মাজত গাঠনিক সম্পৰ্ক গঢ়াৰ বাবে ই এক আনুষ্ঠানিক পথেৰে এক সতেজ আৰম্ভনি আগবঢ়াব

পাৰে ।বাণিজ্য আৰু বিনিয়োগ,শক্তি,সুদ্র আৰু মধ্যম ব্যৱসায় প্ৰতিষ্ঠান সমুহৰ ,সাংস্কৃতি,যোগ্যতা নিৰ্মাণ আদি বিভিন্ন বিষয়সমুহৰ সন্দৰ্ভতটো সহযোগিতা স্থাপনৰ বাবেও এই চুক্তি সমুহে গুৰুত্ব দিব ।

ভাৰত আৰু আৰব বিশ্বই গভীৰভাৱে ঐতিহাসিক, সাংস্কৃতিক আৰু সভ্যতাৰ সম্পৰ্কৰ অংশীদাৰিত্ব হৈ আহিছে ।এই অংশাদাৰিত্বই সাম্ৰাজ্যবাদৰ বিৰোধিতা আৰু ঐক্যভাৱে দক্ষিন-দক্ষিন সহযোগিতাক আলোচনাৰ মাজেৰে আৰু পৰামৰ্শৰ গাঠনিক ভিত্তিত আন্তৰ্জাতিক শান্তি আৰু সুৰক্ষা বিষয় সমুহ সমাধান কৰা,সংৰক্ষিত কৰা ইয়াক সম্প্ৰসাৰিত কৰাৰ বাবে যি প্ৰতিশ্ৰুতিবদ্ধতা আছে তাক সদায়েই বিশ্বাস কৰি আহিছে ।

নতুন দিল্লী

ডিচেম্বৰ ১৭,২০১৩